অধ্যায় ১১ ঃ মৌখিক সাহিত্য

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ মৌখিক সাহিত্য
১১.৪ অসমীয়া মৌখিক সাহিত্য
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্রগতিৰ খতিয়ান
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মৌখিক সাহিত্য মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰি অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে অৱগত হ'ব
- মৌখিক সাহিত্যৰ শ্রেণীবিভাজন সম্পর্কে ধাৰণা লাভ কৰি তাৰ আধাৰত অসমীয়া মৌখিক সাহিত্যক শ্রেণীবিভাগ কৰিব পাৰিব
- মৌখিক সাহিত্য সম্পর্কে অৱগত হ'ব।

১১.২ পৰিচয়

ইয়াৰ আগৰ আধ্যায়টোত আপুনি লোকসংস্কৃতি মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰি তাৰ শ্রেণী বিভাজন সম্পর্কেও অৱগত হ'ল। এই অধ্যায়টোত আপুনি মৌখিক সাহিত্য সম্পর্কে আভাস লাভ কৰি তাৰ আধাৰত অসমীয়া মৌখিক সাহিত্যক শ্রেণীবিভাগ কৰিব পাৰিব। লগতে অসমীয়া মৌখিক সাহিত্য সম্পর্কে জ্ঞান আহৰণ কৰিব।

আপুনি নিশ্চয় জানে যে, যিকোনো জাতিৰ সাহিত্য পৰিক্রমাত প্রথমে মৌখিক সাহিত্যৰ সৃষ্টি হয়। মৌখিক সাহিত্যই ক্রমবিৱর্তনেৰে পৰৱর্তীকালত লিখিত সাহিত্যৰ ৰূপ পৰিগ্রহ কৰে। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্রম নহয়। লোকসাহিত্য বা মৌখিক সাহিত্য লোকজীৱনৰ দাপোণ স্বৰূপ। ইয়াত মানুহৰ চিন্তা, কল্পনা, সুখ-দুখ, আশা-নিৰাশা, হর্ষ-বিষাদ, ভক্তি আদি বিভিন্ন অনুভূতিৰ প্রতিফলন ঘটে। মানুহৰ স্মৃতিৰ ওপৰত ভিত্তি কৰি আদিম যুগৰেপৰা নিৰক্ষৰ চহা সর্বসাধাৰণ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্রচাৰিত হৈ অহা মানৱ জীৱনৰ বিভিন্ন অনুভূতি, সামাজিক

চিত্র, প্রকৃতিৰ বিচিত্র ৰূপ আদি অনুপম প্রকাশেৰে লোকসাহিত্য সমৃদ্ধ। মৌখিক সাহিত্য মানুহৰ মুখে মুখে যুগ যুগ ধৰি চলি অহা বাবে ইয়াক মৌখিক সাহিত্য বোলা হৈছে। তলত অসমীয়া মৌখিক সাহিত্য সম্পর্কে বহলাই আলোচনা কৰা হ'ল।

১১.৩ মৌখিক সাহিত্য

অসমীয়া মৌখিক সাহিত্য সম্পর্কে আলোচনাত প্রবৃত্ত হোৱাৰ আগতে আমি মৌখিক সাহিত্য মানেনো কি সেই বিষয়ে জনা উচিত। মৌখিক সাহিত্য বুলিলে সাধাৰণতে পৰম্পৰাগতভাৱে জনসমাজৰ মুখে মুখে চলি অহা কাহিনী, আখ্যান, বেলাড, গীত, যোজনা, পটন্তৰ, নাটকীয় কাহিনী আদিৰ সমাহাৰকে বুজা যায়। মৌখিক সাহিত্যক 'বাচিক কলা', 'লোকসাহিত্য', 'অলিখিত সাহিত্য', 'চহা সাহিত্য', 'লৌকিক সাহিত্য' আদি বিভিন্ন অভিধাৰে অভিহিত কৰা হয়। মৌখিক সাহিত্যৰ ৰচয়িতা কোন সেয়া নির্ণয় কৰা কঠিন আৰু মৌখিক পৰম্পৰা অনুক্রমে প্রবাহমান বাবে আঞ্চলিক ৰূপ বা পাঠান্তৰ থকাও পৰিলক্ষিত হয়। তদুপৰি ব্যক্তি নিৰপেক্ষ ৰূপো ইয়াৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্রৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো মৌখিক সাহিত্যত প্রৱেশ কৰিব পাৰে।

মৌখিক সাহিত্যৰ মূল বৈশিষ্ট্য হ'ল অনুভূতিৰ অকৃত্রিমতা আৰু স্বতঃস্ফূর্ততা। প্রাকৃতিক জগতৰ লগত ইয়াৰ সম্পর্ক অতি নিবিড়। তদুপৰি মৌখিক সাহিত্যৰ উপাদানৰাজি অনুষ্ঠেয় কলাৰ সৈতে সম্পৃক্ত, কাৰণ ই এক সামাজিক ব্যাপাৰ আৰু সেইবাবেই ইয়াৰ সামাজিক প্রকার্য অস্বীকাৰ কৰিব নোৱাৰি। এই প্রসংগৰ আঁত টানি ক'ব পাৰি যে অতীত, বর্তমান আৰু ভৱিষ্যতৰ সীমাৰেখাৰে মৌখিক সাহিত্য সীমিত নহয়। মৌখিক সাহিত্যৰাজি সংস্কৃতিৰ ***সোণসেৰীয়া*** উপাদান। সমাজৰ দৈনন্দিন জীৱন পদ্ধতি, চিন্তাচর্চা, বিশ্বাস, পৰম্পৰা, সংস্কাৰ আদিৰ ই এক সমৃদ্ধ ভঁৰাল। অসমীয়া জনসমাজত প্রচলিত এনেবোৰ বিবিধ উপাদানেৰেই অসমীয়া জাতীয় জীৱনৰ পৰিচয় দাঙি ধৰিব পৰাকৈ অসমীয়া মৌখিক সাহিত্যৰ ভঁৰাল বিভিন্ন উপকৰণেৰে ঠাহ খাই আছে।

সোণসেৰীয়াঃ বহুমূলীয়া

ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্রসংগ বা অনুষঙ্গ, প্রকার্য, প্রয়োগ, ৰূপক, অর্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্রেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি। পূর্বতে কেৱল বিষয়বস্তুৰ ফালৰ পৰা লোকগীত, সাধুকথা আৰু ফকৰা-যোজনা, প্রবাদ-পটন্তৰ, সাঁথৰ, মন্ত্র সাহিত্য আদি ভাগত মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা হৈছিল। সাম্প্রতিক সময়ত অৱশ্যে বিভিন্ন দৃষ্টিভংগীৰে মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা হয়। সেইকেইটা হ'ল—

- জাতিগত শ্রেণীবিভাজন (Ethnic Genres)
- তাত্ত্বিক শ্রেণীবিভাজন (Analytical Categories)

- বিষয়বস্তু অনুসৰি কৰা শ্ৰেণীবিভাজন (Thematic Classification)
- প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন (Functional Classification)
- অনুষঙ্গগত শ্ৰেণীবিভাজন (Contextual Classification)
- আঞ্চলিক শ্ৰেণীবিভাজন (Regional Classification)

- **জাতিগত শ্ৰেণীবিভাজন ঃ** সাংস্কৃতিক পদ্ধতিৰে মৌখিক সাহিত্যক বিভাজন কৰা পদ্ধতিটোকে জাতিগত শ্ৰেণী বিভাজন বুলি কোৱা হয়। প্ৰত্যেকটো জাতি-জনজাতি নৃ-গোষ্ঠীৰ মাজত মৌখিক সাহিত্যৰ বিভিন্ন বিভাগসমূহ সূচাবলৈ বিভিন্ন পৰিভাষাৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, অসমৰ সাধুকথাক সূচাবৰ বাবে 'সাধ্', 'সাধুকথা', 'উপকথা', 'উককথা', 'সাজোকথা', 'গোসাঁইকথা', 'কিচ্ছা' ইত্যাদি পৰিভাষাৰ ব্যৱহাৰ কৰা যায়। উল্লেখযোগ্য যে, জাতিগত শ্ৰেণীবিভাজনক অন্যপ্ৰকাৰে নৃ-গোষ্ঠীগত শ্ৰেণীবিভাজন বুলিও ক'ব পাৰি। তদুপৰি এইবিধ শ্ৰেণীবিভাজনক স্থানীয় শ্ৰেণীবিভাজন বুলি ক'লেও ৰজিতা খায়।
- **তাত্ত্বিকগত শ্ৰেণীবিভাজন ঃ** মৌখিক সাহিত্যৰ পাঠ পদ্ধতিগতভাৱে, সু-সংবদ্ধ সংগঠনৰ আৰ্হি প্ৰদৰ্শনৰে বিভাজন কৰা প্ৰথাটোকে তাত্ত্বিকগত শ্ৰেণীবিভাজন বুলি কোৱা হয়। বিদ্যায়তনিক দৃষ্টিভংগী তথা আন্তৰ্জাতিক শ্ৰেণীবিভাজনৰ প্ৰতি দৃষ্টি ৰাখি মৌখিক সাহিত্যৰ বিভিন্ন পাঠক ভাগ কৰা হয় এই তাত্ত্বিকগত শ্ৰেণীবিভাজনত। তাত্ত্বিকগত শ্ৰেণীবিভাজনৰ আৰ্হি অনুসৰি মৌখিক সাহিত্যৰ পাঠ কেইবাটাও ভাগত শ্ৰেণীবিভাজন কৰি আলোচনা কৰা হয়। যথা— (১) লোককবিতা বা লোকগীত (২) গদ্যধৰ্মী লোককথা (৩) প্ৰবচন-লোকোক্তি-যোজনা আৰু পটন্তৰ (৪) সাঁথৰ, দৃষ্টান্ত (৫) লোকভাষা। এই পাঁচটা ভাগক পুনৰ কেইবাটিও সৰু সৰু উপ-ভাগত ভাগ কৰি আলোচনা কৰা হয়।
- **বিষয়বস্তু অনুসৰি শ্ৰেণীবিভাজন ঃ** মৌখিক সাহিত্যৰ বিভিন্ন উপাদানসমূহৰ বিষয়বস্তু অনুসৰি শ্ৰেণীভুক্ত বা পৰ্যায়ভুক্ত কৰা পদ্ধতিটোৱে হ'ল বিষয়বস্তু অনুসৰি কৰা শ্ৰেণীবিভাজন। সাধাৰণতে আঠোটা ভাগত ভাগ কৰি বিষয়বস্তুগত শ্ৰেণী বিভাজন কৰা হয়— (১) অনুৰাগ আসক্তি, প্ৰেম-প্ৰণয় আৰু বিৰহ-মিলন বিষয়ত গীত-পদ বা বাচিক কলা, (২) ভক্তিমূলক বা ভক্তি প্ৰধান বা ভক্তি বিষয়ক গীত-পদ বা বাচিক কলা, (৩) দাৰ্শনিক ভাবপ্ৰধান গীত-পদ বা বাচিক কলা, (৪) ব্যঙ্গপ্ৰধান বা ব্যঙ্গ বিষয়ক গীত-পদ বা বাচিক কলা, (৫) হাস্য প্ৰধান বা হাস্য বিষয়ক গীত-পদ বা বাচিক কলা, (৬) আৰ্থ-সামাজিক ভাব প্ৰধান গীত-পদ বা বাচিক কলা (৭) আশা-আকাংক্ষা আৰু উৎসাহ-উদ্দীপনা বিষয়ক গীত-পদ বা বাচিক কলা, (৮) ঐতিহাসিক ৰাজনৈতিক আদি বিষয়ক গীত-পদ বা বাচিক কলা।
- **প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন ঃ** মৌখিক সাহিত্যৰ বিভিন্ন উপাদানৰাজিৰ আছে সুনিৰ্দিষ্ট সামাজিক প্ৰকাৰ্য। এনেদৰে নিৰ্দিষ্ট প্ৰকাৰ্যৰ আধাৰত মৌখিক সাহিত্যৰ শ্ৰেণীবিভাজন কৰা পদ্ধতিটোকেই প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন বোলা হয়।
- **অনুষঙ্গগত শ্ৰেণীবিভাজন ঃ** আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, মৌখিক সাহিত্যৰ উপাদানৰাজি অনুষ্ঠেয় কলাৰ সৈতে সংপৃক্ত। অৰ্থাৎ সমাজৰ একোটা নিৰ্দিষ্ট পৰিস্থিতিত

এইবোৰ কোৱা হয়, গোৱা হয় বা আবৃত্তি কৰা হয়। এই সামাজিক পৰিস্থিতিবোৰকেই একোটা প্ৰসংগ বা অনুষঙ্গ বোলে। এনেদৰে অনুষঙ্গগতভাৱে মৌখিক সাহিত্যক শ্ৰেণীবিভাজন কৰাটোকেই অনুষঙ্গগত শ্ৰেণীবিভাজন বোলা হয়। উদাহৰণস্বৰূপে, বিহু সম্পৰ্কে নাজানিলে বিহুগীতৰ বিষয়ে সঠিকভাৱে ধাৰণা লাভ কৰিব নোৱাৰি। ইয়াৰ পৰা সহজে অনুমেয় যে মৌখিক সাহিত্যৰ উপাদানৰাজি ভালদৰে অনুধাৱন কৰিবলৈ হ'লে তাৰ অনুষঙ্গৰ বিষয়েও সম্যক ধাৰণা থকা উচিত। সেইবাবে প্ৰসংগ অনুসৰিহে মৌখিক সাহিত্য বিভাজিত হোৱা উচিত বুলি এচাম লোকসংস্কৃতিবিদে মন্তব্য কৰে।

- **আঞ্চলিক শ্ৰেণীবিভাজন ঃ** মৌখিক সাহিত্যক আঞ্চলিক বৈশিষ্ট্যৰাজিৰ আধাৰত বা ভৌগোলিক বৈশিষ্ট্যৰাজিৰ আধাৰতো শ্ৰেণীবিভাজন কৰা দেখা যায়। এনেদৰে কৰা বিভাজনকেই আঞ্চলিক শ্ৰেণীবিভাজন বোলে। উল্লেখযোগ্য যে আঞ্চলিক শ্ৰেণীবিভাজনত গুৰুত্ব লাভ কৰে সেই অঞ্চলত প্ৰচলিত ভাষিক ৰূপটোৱে। ইয়াকে আমি লোকসাহিত্যৰ উপাদানৰাজিৰ জমিন (Texture) বুলি আখ্যা দিব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মৌখিক সাহিত্যক মূলতঃ কিহৰ ভিত্তিত শ্ৰেণী বিভাজন কৰা হয়?

.....

১১.৪ অসমীয়া মৌখিক সাহিত্য

ওপৰৰ শাখাটোত উল্লেখ কৰাৰ ধৰণে মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা যায় যদিও তাত্ত্বিকগত শ্ৰেণীবিভাজন আৰু অনুষঙ্গগত শ্ৰেণীবিভাজনহে বিজ্ঞানসন্মত বুলি লোকসংস্কৃতিবিদসকলে বিবেচনা কৰিছে। আমাৰ এই অধ্যয়নতো অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণীবিভাজনৰ ক্ষেত্ৰত তাত্ত্বিকগত শ্ৰেণীবিভাজনটিকেই আধাৰ হিচাপে লোৱা হ'ব। আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, তাত্ত্বিকগত শ্ৰেণীবিভাজনত লোকসাহিত্যৰ পাঠসমূহ পুনৰ পাঁচটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। ইয়াৰ আধাৰতেই অসমীয়া মৌখিক সাহিত্যৰ পাঠসমূহক তলত বহলাই আলোচনা কৰা হ'ল।

- **লোকগীত ঃ** যি কোনো গীতৰ লগত সাধাৰণতে সংগীতৰ দিশটোও জড়িত হৈ থাকে। সাধাৰণতে আমি লোক কবিতাৰাজিকে লোকগীত বুলি অভিহিত কৰোঁ যদিও ইয়াত সাংগীতিক দিশটোৰ প্ৰতি গুৰুত্ব দিয়া নহয়। লোকগীতসমূহ মূলতঃ লোকপৰিৱেশ্য কলাৰ মাজত হে অন্তৰ্ভুক্ত। এই বিষয়ে পৰৱৰ্তী এটি অধ্যায় (লোকপৰিৱেশ্য কলা)ত বহলাই আলোচনা দাঙি ধৰা হৈছে। এই অধ্যায়টিত আমি লোকগীত বুলিলে মূলতঃ লোকগীতসমূহৰ সাহিত্যিক দিশটোৰ কথা হে বিবেচনা কৰিম। লোকজীৱনত প্ৰচলিত হৈ থকা লোকগীত লোকমনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। এই গীতবোৰৰ লগত চহালোকে জন্মৰ পৰা মৃত্যুলৈকে পালন

কৰা বিভিন্ন আচাৰ-অনুষ্ঠান, ধর্ম কার্য আদি নিবিড়ভাৱে জড়িত হৈ আছে। গীতবোৰৰ বর্ণনাৰ সৰলতা, আবেগ প্ৰৱণতা, ভাৱৰ অকৃত্ৰিমতা, ৰচনাৰীতিত উপমা আদিৰ বহুল প্ৰয়োগে এইবোৰৰ মাজত সাহিত্যিক সৌন্দর্য দান কৰিছে। মানৱ সভ্যতা আৰু সংস্কৃতিৰ কঠীয়াতলিতেই ইয়াৰ জন্ম আৰু বিকাশ সাধন হৈছে। ই হ'ল চহা প্ৰাণৰ মুক্ত পৰিস্ফূৰণ আৰু মৌলিক ভাবাবেগৰ অকৃত্ৰিম প্ৰকাশ। লোকগীতসমূহক পুনৰ কেইবাটাও সৰু সৰু বিভাগত বিভাজিত কৰি আলোচনা কৰা হয়, যথা— মালিতা, ধর্মীয় গীত, কর্ম গীত, প্ৰণয় গীত, উৎসৱ-অনুষ্ঠানৰ সৈতে জড়িত গীত, সংস্কাৰমূলক কৃত্যৰ সৈতে জড়িত গীত, তত্ত্বপূর্ণ বা দার্শনিক ভাবপ্ৰধান গীত, ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত ইত্যাদি। অসমীয়া লোকগীতসমূহলৈ চকু ফুৰালেই আমি এই বিভাজনকেইটা সুন্দৰভাৱে অনুধাৱন কৰিব পাৰিম।

- *মালিতা ঃ* ইংৰাজী 'বেলাড' শব্দটোৰ সমার্থক অর্থত অসমীয়া 'মালিতা' শব্দটো ব্যৱহাৰ কৰা হৈছে। বেলাড বা মালিতা নৃত্যৰ পৰিপূৰকভাৱে সুৰ লগাই গোৱা হয় আৰু তাৰ মাজেৰে একোটা কাহিনী বর্ণনা কৰা হয়। সাধাৰণতে বেলাডত একক কাহিনীৰ বর্ণনা থাকে। অসমীয়াত মালিতা শব্দটো 'মালা' শব্দৰ পৰা আহৃত, ফুলৰ মালাৰ দৰে ধাৰাবাহিকভাৱে ইয়াত কোনো কাহিনী গাঁথি থোৱা থাকে— সেইবাবেই মালিতা। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ধৰণৰ মালিতাৰ প্ৰচলন আছে। মালিতাক আকৌ বিভিন্ন ভাগত ভাগ কৰা হয়।
  - পুৰাণগত মালিতা (Mythical ballad) ঃ কোনো ধর্মীয় অনুষঙ্গত জগৎসৃষ্টিৰ বর্ণনা, ধর্মীয় কৃত, বা ইয়াৰ লগত জড়িত সমলৰাজিৰ উৎপত্তিৰ বিষয়ে যি মিথধর্মী কাহিনী গোৱা হয় তাকে পুৰাণগত মালিতা বুলি অভিহিত কৰা হয়। সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত 'হাইদাং গীত' অসমীয়া পুৰাণগত মালিতাৰ উদাহৰণ।
  - নৈদানিক মালিতা (Etiological ballad) ঃ পুৰাণগত মালিতাৰ লগত নৈদানিক মালিতাৰ বিষয়বস্তু, সংযুতি আৰু অনুষঙ্গৰ সাধাৰণতে মিল দেখা যায়। এই মালিতাতো জগৎ সৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি, প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, পর্বত-পাহাৰ আদিৰ জন্মৰ বর্ণনা থাকে। পূজা-উপাসনাৰ প্ৰসংগত গোৱা পিঠাগুড়ি, ঢেঁকী, ঘট, কলহ, চৰু আদিৰ জন্ম সম্পর্কীয় গীতবোৰেই নৈদানিক মালিতা। মনসা পূজাত ওজাপালিয়ে গোৱা বিভিন্ন জন্ম সংক্ৰান্তীয় গীত, ব্যাসৰ ওজাপালিয়ে— বাসুদেৱ পূজা, জাগৰ পূজা আদিত গোৱা জাগৰৰ জন্ম, বিভিন্ন ৰাগ-ৰাগিনীৰ জন্ম সম্পর্কীয় গীতবোৰেই নৈদানিক মালিতা।
  - ঐতিহাসিক মালিতা (Historical ballad) ঃ কোনো ঐতিহাসিক ঘটনাৰ আধাৰত ৰচিত মালিতাই হ'ল ঐতিহাসিক মালিতা। যেনে— বদন বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, পথৰুঘাটৰ ৰণ, ফুলগুৰিৰ ধেঁৱা আদিয়েই ঐতিহাসিক মালিতা।
  - জনশ্ৰুতিমূলক মালিতা (Legendary ballad) ঃ লোকসমাজত প্ৰচলিত জনশ্ৰুতিৰ আধাৰত যিবোৰ মালিতা ৰচনা কৰা হয় সেইবোৰেই জনশ্ৰুতিমূলক

মালিতা। উদাহৰণস্বৰূপে—বেউলা-লখাই গীত, কেন্দু কলাই গীত আদি।

- যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা (Magical or wonderous or Supernatural ballad)ঃ যিবোৰ মালিতাত যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক কাহিনী বৰ্ণনা কৰা হয় সেইবোৰকে যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা বোলা হয়। এইবোৰ মালিতাত সাধাৰণ মানুহৰ অলৌকিক জগতৰ সৈতে সংঘটিত সংঘর্ষ আৰু অলৌকিক শক্তিৰ সহায়েৰে অতিলৌকিক কার্য সম্পাদন কৰা কাহিনী বর্ণিত হয়। যেনে— মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, চিকন সৰিয়হৰ গীত, জনাগাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত আদি।
- ব্যংগাত্মক মালিতা (Satrical ballad) ঃ সমাজ সংশোধন বা সংস্কাৰ কৰাৰ আপাহেৰে, ব্যংগাত্মকভাৱে ৰচিত মালিতাৰাজিকে ব্যংগাত্মক মালিতা বুলি কোৱা হয়। সাধাৰণতে আকস্মিক আৰু মৌখিকভাৱে এইবিধ মালিতা ৰচনা কৰা হয়। ভাইৰা, ভাৱৰীয়া, বহুৱা, ওজাপালি আদি চৰিত্রই এই শ্রেণী মালিতাৰ ৰচক। উদাহৰণস্বৰূপে— ভাউৰাৰ গীত, ভূঁইকপৰ গীত, মলুৱাৰ গীত আদি।
- বাৰমাহীৰ গীত ঃ বাৰমাহীৰ গীতসমূহো মালিতাৰে এক বিশেষ অংশ। ভাৰতৰ আন আন প্রদেশবিলাকত প্রচলিত 'বাৰমাহীৰ গীত', 'বাৰমাসীৰ গীত', 'বাৰমাসাৰ গীত'ৰ দৰে অসমতো প্রচলিত 'মধুমতীৰ গীত', 'জয়ধন-বনিয়াৰ গীত', 'শান্তি বাৰমাহী', 'ৰাম বাৰমাহী', 'কন্যা বাৰমাহী' আদি এই শ্রেণীৰ গীতৰ প্রকৃষ্ট উদাহৰণ। উল্লেখযোগ্য যে, বাৰমাহীৰ গীতবোৰৰ বাস্তৱ অভিজ্ঞতাৰ প্রতিফলনৰ লগতে প্রেম-প্রীতিৰ কথাও বর্ণনা কৰা হয়। সেইবাবে ইয়াক বাস্তৱানুগত মালিতা বুলিও ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মালিতা মানে কি বুজে?

.....

প্রশ্ন নং ৩ ঃ 'ভাউৰাৰ গীত' কি মালিতাৰ অন্তর্ভুক্ত?

.....

- *ধর্মীয় গীত ঃ* কোনো ধর্মীয় প্রসংগ, দেৱ-দেৱীৰ উৎপত্তি বা দেৱ-দেৱীৰ পূজা-উপাসনাৰ প্রসংগত গোৱা গীতসমূহেই ধর্মীয় গীত। ধর্মীয় পৰাকাষ্ঠা এই শ্রেণী গীতৰ উল্লেখযোগ্য বৈশিষ্ট্য। যেনে— আইনাম, সদাশিৱৰ নাম, জগন্নাথ পূজাৰ নাম, সুবচনীৰ নাম, মনসা পূজাৰ গীত, লখিমী সবাহৰ গীত, গোসাঁনীৰ নাম, অপেশ্বৰী সবাহৰ গীত, সোনাৰাই পূজাৰ গীত, কাতি পূজাৰ গীত, বাঁশ পূজাৰ গীত, হুদুম পূজাৰ গীত আদি।
- *প্রণয় গীত ঃ* সাধাৰণতে পূর্বৰাগ, অনুৰাগ, সম্ভোগ, বিপ্রলম্ভ, মিলন আদি ভাব বিশিষ্ট

লিৰিকধর্মী গীতবোৰেই হ'ল প্রণয়মূলক গীত। বিহুগীত, ঐ নিঃতম, সাথাৰ, বৈশাগু আদি প্রণয় গীত। উদাহৰণস্বৰূপে — মাতৰে লেতেৰা কেতেৰা জেঙেৰা/ভোগদৈ লেতেৰা পানী/ ছোৱালী লেতেৰা বিজুলী চকুৰা/ মুখত মিঁচিকিয়া হাঁহি।

- *কর্ম গীত ঃ* শ্রম কৰোঁতে আনন্দ লভাৰ লগতে ভাগৰ অৱসাদ আদি দূৰ কৰি নতুন উৎসাহেৰে কর্ম-সম্পাদন কৰিবলৈ গোৱা গীতবোৰেই হ'ল কর্ম গীত। অতি পুৰণি কালৰে পৰা ম'হ বা গৰুগাড়ীৰ চালক, নাৱৰীয়া, হালুৱা, কুমাৰ, কমাৰ, খৰিকটীয়া, মৈষাল, হাতী মাহুত, মাছমৰীয়া, শিপিনী, দাৱনী, ৰোৱনী আদিয়ে কর্মৰ পাৰদর্শিতা বৃদ্ধি কৰাৰ লগতে অৱসাদ বিদুৰণৰ কাৰণে কর্ম বিষয়ৰ গীত গাই আহিছে। উদাহৰণস্বৰূপে— বৈঠা মাৰোঁ, বৈঠা মাৰোঁ ৰে/ অ' বাইচাৰ ভাইয়া ৰে। (নাওখেলৰ গীত)



জানি থোৱা ভাল

মৌখিক সাহিত্যত কর্মগীত বুলি উপ-বিভাগ এটা হোৱাটো উচিত নে অনুচিত এই সম্পর্কে লোকসংস্কৃতিবিদসকলৰ মাজত মত বিৰোধ বিদ্যমান। কিছুমানৰ মতে, যিকোনো গীতেই কর্মগীত বা শ্রমগীত হ'ব পাৰে।

- *উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত ঃ* উৎসৱ অনুষ্ঠানৰ বিবিধ সংযুতিত গীত-পদৰ লগতে নৃত্যই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। বিভিন্ন পৰম্পৰাগত উৎসৱ অনুষ্ঠানবোৰত পৰিৱেশন কৰা গীতসমূহেই উৎসৱ-অনুষ্ঠানমূলক গীত। অসমতো বাৰমাহত তেৰটা উৎসৱ পালিত হয় আৰু এইবোৰৰ ভিতৰত কৃষিভিত্তিক বা ঋতুকালীন উৎসৱ-অনুষ্ঠানৰ সংখ্যাই অধিক। বিহু উৎসৱৰ অন্তর্গত বিহুগীত, বৈশাগু, বায়খু, আলি আয়ে লৃগাং, বাম্বুলপিতা, ভঠেলি, পাউৰাতোলা, মহোহো; বিবাহ উৎসৱ উপলক্ষে গোৱা পানীতোলা, গোঁসাই পূজা কৰা, দৰা-কইনাক গা-ধুৱা, যোৱা নাম বা খিচা গীত আদি উৎসৱ-অনুষ্ঠানমূলক গীতৰ ভিতৰত পৰে।
- *সংস্কাৰমূলক কৃত্যৰ লগত জড়িত গীত ঃ* মানুহে সামাজিক জীৱনত বিভিন্ন সংস্কাৰমূলক কৃত্যৰ লগত জড়িত হ'বলগীয়া হয়, যেনে— জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত কৃত। এই সংস্কাৰমূলক কর্মত গোৱা গীতসমূহেই সংস্কাৰমূলক কৃত্যৰ লগত জড়িত গীত। কার্বিসকলে শ্রাদ্ধত গোৱা চমাংকান গীতসমূহ এনে গীতৰ উদাহৰণ।
- *দার্শনিক ভাব প্রধান গীত ঃ* সংসাৰৰ অনিত্যতা সম্পর্কে তাত্ত্বিক ভাব সন্নিৱিষ্ট কিছু গীতো লোকসমাজত প্রচলিত। এনে গীতবোৰকে দার্শনিক ভাব প্রধান গীত বোলা হয়। অসমীয়া জনসমাজত প্রচলিত 'দেহ বিচাৰৰ গীত', 'টোকাৰী গীত', 'জিকিৰ'সমূহ এই শ্রেণীৰ গীতৰ প্রকৃষ্ট উদাহৰণ।

➢ *কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত ঃ* কেঁচুৰা বা শিশুসকলৰ মনোৰঞ্জন, খেল-ধেমালি, নিচুকাব আৰু টোপনি নিয়াবৰ বাবে সৰ্ব্বসমাজতে বিবিধ গীতৰ প্ৰচলন আছে। এই সকলোবোৰকে কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত বোলা হয়। অসমীয়া গীতৰ ভঁৰাল এই ক্ষেত্ৰত অতিকে চহকী।



চিন্তা-চৰ্চা কৰক — ১১.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে অসমত প্ৰচলিত বিবিধ লোকগীতসমূহৰ এখন তালিকা প্ৰস্তুত কৰি এই শাখাটিত উল্লেখ কৰা ধৰণে শ্ৰেণীভুক্ত কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ধৰ্মীয় গীত বুলিলে কোনখিনি গীতৰ কথা বুজা যায়। উদাহৰণ দিয়ক।

.....

.....

● **গদ্যধৰ্মী লোককথা ঃ** মৌখিক সাহিত্যৰ দ্বিতীয় বিভাগটিয়েই হৈছে গদ্যধৰ্মী লোককথা। গদ্যৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীসমূহক গদ্যধৰ্মী লোককথা বোলে। বিষয়বস্তুৰ সংযুতি আৰু প্ৰসংগ অনুসৰি ইয়াক আকৌ তিনিটা উপবিভাগত ভগাব পাৰি।

➢ পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা (Myth)

➢ জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend)

➢ সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী (tale) আদি।

➢ *পুৰাণকথা, পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা ঃ* অতি পুৰণি কালত উৎপত্তি হোৱা আৰু সত্য বুলি গণ্য কৰা পৰম্পৰাগত কাহিনীসমূহ এই শাখাৰ অন্তৰ্গত। কোনো জনগোষ্ঠীৰ সৃষ্টিতত্ত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ উপাস্য দেৱ-দেৱীৰ কাহিনী, সাংস্কৃতিক লক্ষণ আদিয়েই ইয়াৰ প্ৰধান উপজীব্য। এইবোৰ মূলতঃ ধৰ্মীয় বিশ্বাসৰ ভেটিতে সৃষ্টি হয়। অসমীয়া বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত তেওঁলোকৰ দেৱ-দেৱীৰ জন্ম কাহিনী, যেনে— 'লক্ষ্মীদেৱীৰ জন্ম', 'মনসা বা পদ্মাৰ জন্ম', 'কুমাৰৰ জন্ম', মিচিংসকলৰ মাজত প্ৰচলিত 'দঃঞি-পঃলৰ কাহিনী' আদিয়েই এই শ্ৰেণীবিভাগৰ অন্তৰ্গত।

➢ *জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী ঃ* জনশ্ৰুতিগতভাৱে কোনো সমাজৰ ধৰ্মীয় প্ৰসংগত গেয় বা আবৃত্তি কৰা সাধু পুৰুষ, শ্বহীদৰ জীৱন বৃত্তৰ কাহিনীয়েই এই শ্ৰেণীত অন্তৰ্ভুক্ত। যেনে ৰাভাসকলৰ মাজত প্ৰচলিত 'দদান বীৰৰ কাহিনী', কাৰ্বিসকলৰ

মাজত প্রচলিত 'ৰং ফাৰপি ৰংবে'ৰ কাহিনী আদি এনে গদ্যধর্মী লোককথাৰ প্রকৃষ্ট উদাহৰণ।

- *সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী ঃ* Tale শব্দটিৰ পৰিভাষা হিচাপেই অসমত এই অভিধাকেইটা প্রয়োগ কৰা হয় যদিও প্রধানতঃ 'সাধুকথা' শব্দটিয়েই বহুলভাৱে প্রচলিত। সাধুকথাবোৰ কাল্পনিক যেন লাগিলেও ই মূলতঃ সমাজৰ বাস্তৱ অভিজ্ঞতাৰ আধাৰতে ৰচিত আৰু ইয়াৰ মাজতে সমাজ এখনৰ পৰিশ্রমৰ চিত্র ৰক্ষিত হোৱাৰ লগতে লোকজীৱনৰ বিবিধ বিশ্বাস, কল্পনা, আদর্শ সঞ্চিত হৈ থাকে। বিষয়বস্তুৰ ভিন্নতা অনুসৰি সাধুকথাক বিভিন্ন উপবিভাগত বিভক্ত কৰা হয়। অসমীয়া লোকসাহিত্যও সাধুকথাৰ ক্ষেত্রত অতিকে চহকী। অসমীয়া জনসাহিত্যৰ অন্তর্ভুক্ত সাধুসমূহ এনেদৰে বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা—জন্তুকেন্দ্রীয় সাধুকথা (যেনে— শিয়াল/বান্দৰ, শহা/শিয়াল, শিয়াল/কাছ, বগলী/বাঘ, টুনী/ঢোঁৰা কাউৰী আদিক লৈ ৰচিত সাধু), যাদুমূলক বা বিস্ময়ৱহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা (যেনে— পানচৈ, চম্পাৱতী, তেজীমলা, কমলা কুঁৱৰীৰ সাধু আদি), নৈদানিক সাধুকথা (যেনে— তামোল পানৰ জন্ম, পর্বত-পাহাৰৰ জন্ম, কপৌ-মইনা চৰাইৰ জন্ম সম্বন্ধে থকা সাধু), টেটকুঁটি (হাস্য-ব্যংগ প্রধান সাধু, যেনে— ফৰিং, সৰৱজান, কুকুৰীকণা জোঁৱাই, বামুণৰ লিটিকাই, বামুণৰ বহুৱা, সাত মুর্খ, মুর্খ জোঁৱাই, ব্রাহ্মণ ঠাকুৰৰ টেটকুঁটি আদি), টেটোন ব টেণ্টনৰ সাধুকথা (যেনে— টেটোন তামুলী, টেটোন, লটকন আদি), ক্রমপুঞ্জিত বা নির্ধাৰিতগঢ়ী সাধুকথা (যেনে— ভেকুলীৰ পিঠিত খহু কিয় হয়, মিচিংসকলৰ লিপি কেনেদৰে নোহোৱা হ'ল), সমস্যামূলক সাধু, ইত্যাদি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। ইয়াৰ উপৰি "অ' ফুল অ' ফুল নুফুল কিয়?", 'পৰুৱা আৰু ভেকোলা' আদিৰ দৰে গীত আৰু কথাৰে বর্ণনা কৰা দীঘলীয়া সাধুও অসমীয়া সমাজত বিদ্যমান। অসমীয়া সাধুকথাই সমাজ জীৱনৰ প্রতিফলক ৰূপে ভূমিকা পালন কৰাৰ লগতে নীতিশিক্ষাও প্রদান কৰি আহিছে। উল্লেখ্য যে পৃথিৱীৰ সকলো জাতিৰ সাহিত্যৰ বুৰঞ্জীত সাধুকথাৰ স্থান আৰু মূল্য বহু ওপৰত।



চিন্তা-চর্চা কৰক — ১১.২

'অধিক জানিবলৈ'ত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে অসমত প্রচলিত বিবিধ সাধুসমূহৰ এখন তালিকা প্রস্তুত কৰি এই শাখাটিত উল্লেখ কৰা ধৰণে শ্রেণীভুক্ত কৰক।

- **প্রবচন, লোকোক্তি, যোজনা আৰু পটন্তৰ ঃ** মৌখিক সাহিত্যৰ উল্লেখযোগ্য উপাদান হ'ল প্রবচন-লোকোক্তি, যোজনা-পটন্তৰ। এইবোৰ হ'ল লোকসমাজৰ সূক্ষ্মতম অভিব্যক্তি। এইবোৰৰ লগত অসমীয়া জাতীয় জীৱনৰ সম্পর্ক অতি গভীৰ। ৰাজনীতি, সমাজনীতি,

গৃহস্থালি, সমাজৰ আচাৰ-ব্যৱহাৰ আদিয়ে বাংময় ৰূপ লাভ কৰিছে এইবোৰৰ মাজেদি। উল্লেখযোগ্য যে এইবোৰক 'স্থিৰীকৃত বাক্ বৈশিষ্ট্য' (Fixed phrase genres) বুলিও আখ্যা দিয়া হয়, কাৰণ এইবোৰৰ জমিন (Texture) এটা ভাষাৰ পৰা আন ভাষালৈ অনুবাদ কৰা অসম্ভৱ। ইয়াৰ লয়, অনুপ্রাসৰ ক্ষিপ্রতা, শ্বাসাঘাত, সুৰসংযোগ, সুৰ লহৰি, ধন্যাত্মকতা আদিৰ মাজতেই সোমাই আছে ইহঁতৰ জমিন। এইবোৰৰ অর্থ বুজিবলৈ হ'লে সামাজিক প্রসংগ বা অনুষঙ্গৰ বিষয়ে জানিব লাগিব।

প্রবাদ-প্রবচন বাক্যবোৰো 'দহৰ জ্ঞান একৰ বাণী'। এইবোৰৰ ৰচনাকাল সম্পর্কে বিশেষ একো জনা নাযায় যদিও তলৰ প্রবচনটো আহোম যুগৰ সৃষ্টি বুলি ঠাৱৰ কৰিব পাৰি—

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ
শৰগুৰিৰ আঘোনী বাই;
তিনিৰো ডিঙিত ধৰি তিনিও কান্দিলে
সমন্ধত একোটি নাই।

কিছুমান প্রবাদ বা প্রবচন একোটি কাহিনীক আশ্রয় কৰিও সৃষ্টি কৰা হয়। তদুপৰি, কিছুমানত ৰসিকতা আৰু উপদেশো থাকে। কোনো এটা কথা বুজাবৰ বাবে আন এটা কথাৰ লগত ৰিজনি দিয়াকে যোজনা বোলে। যোজনাক পটন্তৰো বোলা হয়। উদাহৰণ—

নদীৰ বন নাই খান্দে আৰু পোতে
বিষয়াৰ বন নাই ভাঙে আৰু পাতে।

প্রবচনবোৰ সংক্ষিপ্ত আৰু বুদ্ধিনিষ্ঠ পৰম্পৰাগত উক্তি। ইয়াৰ অন্যতম লক্ষ্য হ'ল বুদ্ধিপূর্ণভাৱে কোনো কথা বা উক্তি ব্যক্ত কৰা। এইবোৰত অতি কমেও এটা বর্ণনাত্মক সমল থকা উচিত। বর্ণনাত্মক সমল হ'ল বিষয়বস্তু আৰু মন্তব্যৰ সমষ্টি।

বর্ণনাত্মক সমল — উপৰে গো বধ, তলে ব্রাহ্মণ বধ।

এই প্রবচনটো দুটা অংশত বিভক্ত আৰু এটা অংশই পৰস্পৰ বিৰুদ্ধ ভাব প্রকাশ কৰিছে। যেনে— গো বধ/ব্রাহ্মণ বধ। এক কথাত ক'ব পাৰি প্রত্যেকটো প্রবচনতে বিৰুদ্ধ ভাব প্রকাশেৰে মূল কথাখিনি ব্যক্ত কৰা হয়। তদুপৰি প্রায় প্রত্যেকটো প্রবচনৰ লগতে একোটা কাহিনী জড়িত হৈ থাকে, কাৰণ এয়া শতিকাজোৰা অভিজ্ঞতাৰ সমষ্টি।

প্রবচনৰ এটি উল্লেখযোগ্য উপশ্রেণী হৈছে ফকৰা। প্রফুল্ল দত্ত গোস্বামীয়ে এই বিষয়ে কৈছে যে "যোজনা ব্যৱহাৰ কৰা হয় কথাৰ লাচত, প্রায়েই ঠাট্টাৰ সুৰত, সাধাৰণ বক্তব্যৰ মেৰ মাৰিবলৈ বা কিবা কথা ব্যাখ্যা কৰিবলৈ।" সাধাৰণতে বৈষ্ণৱ ভকতসকলৰ মাজত ফকৰাৰ আদৰ বেছি। সাধাৰণ ফকৰা বিলাকত স্থূলদেহৰ অসাৰতা, চিত্তদমন আদি নীতি লুকাই আছে। উদাহৰণস্বৰূপে—

নিজৰা জৰে, অমৰা মৰে, মৰাই বায় হাল।
লখিমীৰ টিকাত ছিৰা-কানি মোৰ নাম নিধনীয় ভাল।

—এনে ফকৰাবিলাকত বাহ্যিক অর্থৰ সলনি গূঢ়ার্থহে প্রকাশ পায়।

কাপোৰত জুই বান্ধি ঘৰে লই যায়।
হাত মেলি চন্দ্র ধৰে বাপৰ বেটা সেই।।

অর্থাৎ যিজনে জ্ঞানৰ দ্বাৰা চঞ্চল চিত্তক দমন কৰি আনন্দমনে থাকে সেইজনে মৃত্যুৰ পিছত মুক্তি লাভ কৰে। (কাপোৰ-জ্ঞান, জুই-মন, ঘৰ-যমপুৰ, চন্দ্রধৰে-আনন্দমনে থাকে, মুক্তি পায়)

লোকসমাজৰ দৈনন্দিন জীৱনৰ স্তৰে স্তৰে প্রয়োজন অনুসৰি যিবোৰ উক্তি মৌখিক পৰম্পৰাত ব্যৱহাৰ হৈ আহিছে সেইবোৰকে লোকোক্তি বোলা হয়। ৰিজনি, চানেকি আদি অর্থত প্রবচন-যোজনা আদি প্রয়োগ কৰা হয় বাবে ইয়াক পটন্তৰো বোলে। ঠিক সেইদৰে এইবোৰ মুখে মুখে প্রচলিত হৈ আহিছে বাবে লোকোক্তি (লোক + উক্তি) বোলা হয়। অসমীয়া লোকসমাজত এনে অসংখ্য উক্তি প্রচলিত হৈ আছে। উল্লেখযোগ্য যে লোকোক্তিক লোকমনৰ চিন্তা তথা বুদ্ধি-বৃত্তিৰ প্রকাশ বুলিব পাৰি। কেইটিমান অসমীয়া লোকোক্তি হ'ল—

ক) তিৰী মিৰি ভাতৌ কোৱা, এই চাৰিৰ আঁসৈ নোপোৱা
খ) বামুণে শগুণে বিচাৰে মৰা,
গণকে বিচাৰে নৰিয়া পৰা
গ) সেই ৰামো নাই, অযোধ্যাও নাই

- **সাঁথৰ ঃ** প্রফুল্ল দত্ত গোস্বামীদেৱে মন্তব্য কৰিছে যে সাঁথৰসমূহো এক প্রকাৰৰ ফকৰা। ফকৰাৰ দৰে সাঁথৰৰ ভাষাও প্রহেলিকাময় যদিও সাঁথৰৰ অর্থ ঐহ্যিক বা সাধাৰণ। অসমীয়া ভাষাত 'দৃষ্টান্ত', 'দিষ্টান' আদি অভিধাও একে অর্থতে ব্যৱহাৰ কৰা দেখা যায়। সাঁথৰক এক অর্থত প্রহেলিকাময় কিছুমান প্রশ্ন তথা পৰম্পৰাগত বাচিক অভিব্যঞ্জন বুলি ক'ব পাৰি। ইয়াত পৰস্পৰ বিৰোধী বর্ণনাত্মক সমল এটা বা ততোধিক সন্নিৱিষ্ট থাকে। পণ্ডিতসকলে সাঁথৰৰ প্রশ্নৰ প্রকৃতি অনুসৰি কেইবাটাও উপবিভাগত বিভাজন কৰি আলোচনা কৰিছে। সেইবোৰৰ আধাৰতে অসমীয়া সাঁথৰসমূহক ভাগ কৰিব পাৰি। যথা— *বর্ণনাত্মক সাঁথৰ* (ইয়াত বর্ণনাৰ জড়িয়তে প্রশ্ন উত্থাপন কৰা হয়),যেনে— সত্যযুগত মূৰত টুপী/কৃষ্ণ অৱতাৰে মুহিলা গোপী/ৰাৱণ মৰিল ৰামৰ শৰত/সেইখন আঞ্জা আমাৰ হাতত/কোৱা চোন বস্তুটো নো কি ভাই? উত্তৰ — বাঁহৰ গাজ; *টেটকুঁটিমূলক প্রশ্ন*, যেনে— কি গড়ৰ খড়্গ নাই, উত্তৰ— ৰাজগড়; এঠেঙীয়া হাতী, ধান খায় পাচি পাচি, উত্তৰ— ঢেঁকী। *সমস্যা প্রধান সাঁথৰ* (য'ত সমস্যা এটা উত্থাপন কৰা হয়) যেনে— হাতুৰী বটালী বাইচখন/চোৰে নিলে তিনিখন/বাকী থাকিল কেইখন, উত্তৰ— শূন্য; শুভঙ্কৰীৰ ফাঁকি/চৌত্রিছৰ পৰা তিনি 'শ' গ'ল/থাকিল কিমান বাকী, উত্তৰ— ৩১; *ছল-সাঁথৰ* —দলে দলে ফুৰে দলপতি ৰাজা/হাৰো নাই হুৰাও নাই মণ্ডহৰ লদা, উত্তৰ— জোক। উল্লেখ্য যে সাঁথৰত পাণ্ডিত্যতকৈ বুদ্ধিমত্তাৰ পৰিচয়হে বেছি পোৱা যায়।
- **লোকভাষা ঃ** মৌখিক সাহিত্যৰ আটাইতকৈ প্রণিধানযোগ্য উপাদান হৈছে লোকভাষা। লোকসমাজত প্রচলিত বাক্-ভংগীয়েই হ'ল লোকভাষা। ''অঞ্চলভেদে, সমষ্টিগত

জীৱনভেদে মানুহৰ কথ্যভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব তথা পৃথকতা ফুটি উঠে। শব্দ সম্ভাৰতো এনে বিশিষ্ট পৰিচয়ৰ পৃথকতা ফুটি উঠে। লোকভাষাৰ এনে বিশিষ্টতাই একো একোটা অঞ্চলৰ নাইবা একো একোটা সমষ্টিৰ লোকজীৱনৰ বাকভংগীৰ পৰিচয়েই কঢ়িয়াই নানে, সংশ্লিষ্ট লোকজীৱনৰ মানসিক বিশিষ্টতাৰ পৰিচয়ো কঢ়িয়াই আনে।" বহুসময়ত ধাৰণা হ'ব পাৰে যে লোকভাষা উপভাষাৰে এটি স্থানীয় ৰূপ। কিন্তু কথাটো শুদ্ধ নহয়। কাৰণ ই হ'ল সাধাৰণ মানুহৰ এটা স্বতঃস্ফূৰ্ত বচনভংগী সেয়ে ইয়াৰ কোনো ব্যাকৰণ নাই, আনহাতে উপভাষাই অলিখিতভাৱে হ'লেও ব্যাকৰণ অনুসৰণ কৰে। তদুপৰি লোকভাষাত ব্যৱহৃত শব্দই মূল ৰূপ তথা ভাবৰ পৰা আঁতৰি আহিও অর্থ প্রকাশ কৰে। মান্য বা উপভাষাত শিষ্ট বা সাধু বুলি বিবেচিত নোহোৱা শব্দও লোকভাষাত সাধাৰণ প্রকাশভংগী হিচাপে প্রকাশিত হয়। এই ক্ষেত্রত লোকভাষা সম্পর্কে ড° বিৰিঞ্চি কুমাৰ বৰুৱাই কৰা মন্তব্যটিও উল্লেখযোগ্য—"এটা ভাষা সম্প্রদায়ৰ মাজত বিভিন্ন কথ্যভাষা প্রচলিত হ'ব পাৰে আৰু কথ্য ৰূপেই হ'ল লোকভাষা।" অসমীয়া সমাজত প্রচলিত প্রবচন, ফকৰা-যোজনা, খণ্ডবাক্য আদিৰ মাজত লোকভাষাৰ ৰূপ পৰিদৃষ্ট হয়। লোকভাষাৰ ক্ষেত্রত বৃত্তিগত বিশিষ্টতা, নৃতাত্ত্বিক বিশিষ্টতা, আঞ্চলিক বিশিষ্টতা তথা প্রকৃতিনির্ভৰ বিশিষ্টতাও বিদ্যমান। উদাহৰণস্বৰূপে— 'জ্বৰ অলপমান সৰহ হৈছেনে' বাক্যটি বিবেচনা কৰিব পাৰি। ইয়াত ব্যৱহৃত 'সৰহ' শব্দটি সাধাৰণতে মান্যভাষাত ব্যৱহৃত হয় অনেক, অধিক, বিস্তৰ আদি অর্থত। কিন্তু দৰং আৰু হাজো অঞ্চলত কোনো কোনো ভাষা গোষ্ঠীমতে ইয়াৰ অর্থ কম, নিৰাময় আদি। এই বাক্যটিয়ে মান্যভাষাত একো অর্থ প্রকাশ নকৰিলেও লোকভাষাত সঠিক অর্থই প্রকাশ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ গদ্যধর্মী লোককথা মানে কি? ইয়াৰ প্রধান ভাগ কেইটা আৰু কি কি?

.....

.....

প্রশ্ন নং ৬ ঃ লোকভাষা মানে কি?

.....

- **মন্ত্র সাহিত্য ঃ** মন্ত্র লোকসংস্কৃতি আৰু মৌখিক সাহিত্যৰ আন এক অবিচ্ছেদ্য অংগ। পূর্বৰে পৰা অসম দেশ যাদু-মন্ত্রৰ বাবে বিখ্যাত আৰু যাদু-মন্ত্রৰ ৰাজ্য বুলিয়েই চিহ্নিত। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে অসমীয়া লোকসমাজৰ লগত মন্ত্র কেনেদৰে সম্পর্কিত হৈ আছে। অসমীয়া লোকসমাজত মন্ত্রৰ প্রভাৰ অপৰিসীম। এইবোৰৰ ৰচনাকাল সম্পর্কে সঠিককৈ ক'ব নোৱাৰি। পণ্ডিতসকলে ইয়াৰ ৰচনাকাল খ্রীষ্টীয় দশম শতিকাৰ পৰা পঞ্চদশ শতিকাৰ

ভিতৰত বুলি ঠাৱৰ কৰিছে। ব্ৰাহ্মণ-অব্ৰাহ্মণ, গৰীয়া-মৰিয়া অদি সকলো সম্প্ৰদায়ৰ লোকে প্ৰয়োগ কৰা মন্ত্ৰসমূহ প্ৰথমতে বিশেষ মানুহৰ মুখে মুখে ৰচিত আৰু প্ৰচলিত হৈ আহি পৰৱৰ্তী সময়ত লিখিত ৰূপ পৰিগ্ৰহ কৰে। সাধাৰণতে মন্ত্ৰসমূহ দেৱতা-অপদেৱতা, ভূত-প্ৰেত, যখ-যখিনী, খেতৰ-ডাইনী আদিৰ কু-প্ৰভাৱৰ ফলত হোৱা বেমাৰ-আজাৰ, ধন নাশ, শত্ৰুবৃদ্ধি আদি দূৰ কৰাৰ উদ্দেশ্যে প্ৰয়োগ কৰা হয়।

এই মন্ত্ৰবোৰত অসমীয়া সমাজৰ বিবিধ লোকবিশ্বাস, আচাৰ-ব্যৱহাৰ, ধৰ্ম-নীতি আদিৰ বিষয়েও ভালেমান কথা সোমাই আছে। তদুপৰি *ৰামায়ণ, মহাভাৰত* আৰু পু�ৰাণৰ কাহিনীও নানা ৰূপত সন্নিৱিষ্ট হৈছে, আনহাতে কিছুমান মন্ত্ৰত সৃষ্টিতত্ত্বৰ আভাস আছে। সিদ্ধিৰ কাৰণে মন্ত্ৰত গুৰু আৰু কামাখ্যা গোঁসানীক চিন্তা কৰা হয় — "সিদ্ধ গুৰুৰ পাৱ, ৰক্ষা কৰা কামৰূপ কামাখ্যা মাৱ।" মানুহৰ ৰোগৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায়ো মন্ত্ৰপুথিত পোৱা যায়। ফু- মৰা, পানী-ছটিওৱা, বিহলঙনি বা এড়া গছৰ পাতেৰে ৰোগী জৰা আদি প্ৰকাৰ্যও কিছুমান মন্ত্ৰত সধা হয়। কথিত ভাষাৰ প্ৰভাৱপুষ্ট মন্ত্ৰবোৰ গদ্য আৰু পদ্যত ৰচিত হ'লেও পদ্যত ৰচিত মন্ত্ৰৰ সংখ্যাই সৰহ। কিছুমান মন্ত্ৰত— 'ওঁ, হ্ৰীং, উৎ,আৎ,লৎ, ফট্, স্বাহা' আদি ধ্বনি উচ্চাৰণ কৰি মন্ত্ৰৰ গাম্ভীৰ্য বঢ়োৱা হৈছে। অগ্নিবাণ, ব্ৰহ্ম-কৰতি, পানী-কৰতি, ৰাম-কৰতি, গু-কৰতি, পক্ষীৰাজ-মন্ত্ৰ, সুদৰ্শন-মন্ত্ৰ, সৰ্বঢাক-মন্ত্ৰ, বীৰাজৰা-মন্ত্ৰ, ধৰণী-মন্ত্ৰ, পুষ্পজৰা-মন্ত্ৰ,মোহিনী-মন্ত্ৰ আদি অসংখ্য মন্ত্ৰ অসমীয়া ভাষাত আছে। এই মন্ত্ৰসমূহ ঘাইকৈ অথৰ্ব-বেদ,বৌদ্ধ আৰু হিন্দু ধৰ্মৰ তন্ত্ৰ-শাস্ত্ৰ আৰু জনজাতিসমূহৰ বিশ্বাসৰ সংমিশ্ৰণত সৃষ্টি হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অসমীয়া মন্ত্ৰ সাহিত্য সম্পৰ্কে এটি টোকা লিখক। (৫০ টা শব্দৰ ভিতৰত লিখক।)

.....

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌখিক সাহিত্য বুলিলে সাধাৰণতে পৰম্পৰাগতভাৱে জনসমাজৰ মুখে মুখে চলি অহা

কাহিনী, আখ্যান, বেলাড, গীত, যোজনা, পটন্তৰ, নাটকীয় কাহিনী আদিৰ সমাহাৰকে বুজা যায়। মৌখিক সাহিত্যক 'বাচিক কলা', 'লোকসাহিত্য', 'অলিখিত সাহিত্য', 'চহা সাহিত্য', 'লৌকিক সাহিত্য' আদি বিভিন্ন অভিধাৰে অভিহিত কৰা হয়।

- ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে লোকসাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি। ইয়াৰে ভিতৰত 'তাত্ত্বিকগত শ্ৰেণীবিভাজন'ৰ আৰ্হি অনুসৰি অসমীয়া মৌখিক সাহিত্যৰ পাঠ (১) লোককবিতা বা লোকগীত (২) গদ্যধৰ্মী লোককথা (৩) প্ৰবচন-লোকোক্তি-যোজনা আৰু পটন্তৰ (৪) সাঁথৰ, দৃষ্টান্ত (৫) লোকভাষা, আদি ভাগত ভাগ কৰি এই অধ্যায়টিত বহলাই আলোচনা কৰা হ'ল।
- মন্ত্ৰ সাহিত্য সম্পৰ্কে বিস্তৃতভাৱে এই অধ্যায়টিত বিশ্লেষণ কৰা হ'ল।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, প্ৰফুল্ল (২০০৫); *সাহিত্য সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

২) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) গোস্বামী, প্ৰফুল্লদত্ত (১৯৯৪); *অসমীয়া জন-সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৪) গোস্বামী, হেমচন্দ্ৰ (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৫) নেওগ, ডিম্বেশ্বৰ (১৯৫৮); *অসমীয়া সাহিত্যৰ বুৰঞ্জী;* যোৰহাট।

৬) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) শৰ্মা, নবীন চন্দ্ৰ (২০০৯); *অসমীয়া লোক-সংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৮) শৰ্মা, নবীন চন্দ্ৰ (২০০৯); *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা;* গুৱাহাটী ঃ বনলতা।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ ঃ

১১) Baruah, B. K. (1978). *History of Assamese Literature*. New Delhi: Sahitya Akademi.

১২) Baruah, H. (1965). *Assamese Literature*. New Delhi: NBT.

১৩) Bhuyan, S. K.. (1956). *Studies in the Literature of Assam*. Guwahati: Lawyers Books Stall.

১৪) Dutta, B. N. & et. al. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

১৫) Kakati, B. K. (1962). *Assamese : Its Formation and Development*; Guwahati: Lawyers Books Stall.

১৬) Kakati, B. K. (ed.) (1959). *Aspects of Early Assamese Literature*. Guwahati: Gauhati University.



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজী 'বেলাড' শব্দটোৰ সমাৰ্থক অৰ্থত অসমীয়া 'মালিতা' শব্দটো ব্যৱহাৰ কৰা হৈছে। বেলাড বা মালিতা নৃত্যৰ পৰিপূৰকভাৱে সুৰ লগাই গোৱা হয় আৰু তাৰ মাজেৰে একোটা কাহিনী বৰ্ণনা কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যংগাত্মক মালিতাৰ অন্তৰ্ভুক্ত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ধৰ্মীয় প্ৰসংগ, দেৱ-দেৱীৰ উৎপত্তি বা দেৱ-দেৱীৰ পূজা-উপাসনাৰ প্ৰসংগত গোৱা গীতসমূহেই ধৰ্মীয় গীত। ধৰ্মীয় পৰাকাষ্ঠা এই শ্ৰেণী গীতৰ উল্লেখযোগ্য বৈশিষ্ট্য। যেনে— আইনাম, সদাশিৱৰ নাম, জগন্নাথ পূজাৰ নাম আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গদ্যৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীসমূহক গদ্যধৰ্মী লোককথা বোলে। বিষয়বস্তুৰ সংযুতি আৰু প্ৰসংগ অনুসৰি ইয়াক আকৌ তিনিটা উপবিভাগত ভগাব পাৰি — পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা (Myth), জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend), সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী (tale) আদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এটা ভাষা সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্যভাষা প্ৰচলিত হ'ব পাৰে আৰু কথ্য ৰূপেই হ'ল লোকভাষা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসমাজত মন্ত্ৰৰ প্ৰভাৱ অপৰিসীম। এইবোৰৰ ৰচনাকাল সম্পৰ্কে

সঠিককৈ ক'ব নোৱাৰি। পণ্ডিতসকলে ইয়াৰ ৰচনাকাল খ্ৰীষ্টীয় দশম শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। ব্ৰাহ্মণ-অব্ৰাহ্মণ, গৰীয়া-মৰিয়া আদি সকলো সম্প্ৰদায়ৰ লোকে প্ৰয়োগ কৰা মন্ত্ৰসমূহ প্ৰথমতে বিশেষ মানুহৰ মুখে মুখে ৰচিত আৰু প্ৰচলিত হৈ আহি পৰৱৰ্তী সময়ত লিখিত ৰূপ পৰিগ্ৰহ কৰে। সাধাৰণতে মন্ত্ৰসমূহ দেৱতা-অপদেৱতা, ভূত-প্ৰেত, যখ-যখিনী, খেতৰ-ডাইনী আদিৰ কু-প্ৰভাৱৰ ফলত হোৱা বেমাৰ-আজাৰ, ধন নাশ, শত্ৰুবৃদ্ধি আদি দূৰ কৰাৰ উদ্দেশ্যে প্ৰয়োগ কৰা হয়।



১১.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) মৌখিক সাহিত্য মানে কি বুজে?

খ) অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণী বিভাজন কৰক।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাৰমাহী গীত বুলিলে কি বুজে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অসমীয়া মালিতা (খ) অসমীয়া সাধুকথা

(গ) মন্ত্ৰ-সাহিত্য (ঘ) লোকভাষা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মৌখিক সাহিত্যক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মালিতা কাক বোলে? মালিতাক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি? অসমীয়া মালিতাৰ আধাৰত সেই বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***